**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :09**-06-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত এঘাৰ বছৰত দেশৰ বিকাশ যাত্ৰা সন্দৰ্ভত নমো এপৰ সমীক্ষাত সকলোকে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

২। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেল অৰ্থনৈতিক আৰু বাণিজ্য অংশীদাৰিত্ব শক্তিশালী কৰাৰ উদ্দেশ্যে আজি ছুইজাৰলেণ্ড আৰু ছুইডেনলৈ ৰাওনা হৈছে।

৩। অসম বিধানসভাই ডিব্ৰুগড় বিমান বন্দৰৰ নাম ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকা বিমান বন্দৰ, ডিব্ৰুগড় নামেৰে নামকৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ আগবঢ়াইছে।

৪। মেঘালয়ৰ উপ মুখ্যমন্ত্ৰী প্ৰেষ্টন টিনচঙে ইন্দোৰৰ যুৱক ৰাজা ৰঘুবংশীৰ হত্যাৰ সৈতে জড়িত থকা ৪ জন লোকক গ্ৰেপ্তাৰ কৰাৰ কথা নিশ্চিত কৰিছে। ***আৰু***

৫। দেলহী ইণ্টাৰনেচনেল অপেন ডবাত গ্ৰেণ্ডমাষ্টাৰ নাৰায়ণন এছ্ এলে, ভিয়েটনামৰ নগুৱেন দাক হুৱাক চতুৰ্থ ৰাউণ্ডত হৰুৱাই বিজয় সাব্যস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত এঘাৰ বছৰত দেশৰ বিকাশ যাত্ৰা সন্দৰ্ভত নমো এপৰ সমীক্ষাত সকলোকে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে যিকোনো লোকে জন মন সমীক্ষাত অংশ ল'ব পৰাকৈ এই পোৰ্টেলৰ এটা লিংক ছেয়াৰ কৰে।

ইপিনে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰৰ বিগত এঘাৰ বছৰৰ সময়ছোৱাত দেশ, অৰ্থনৈতিক উন্নয়ন, সামাজিক ন্যায়, সাংস্কৃতিক গৌৰৱ তথা ৰাষ্ট্ৰীয় সুৰক্ষাৰ নতুন যুগৰ সাক্ষী হ'ল। তেওঁ চৰকাৰৰ এঘাৰ বছৰীয়া জন সেৱাৰ প্ৰশংসা কৰি সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে এই ঐতিহাসিক এঘাৰ বছৰ হৈছে সংকল্প, সমৰ্পন আৰু জনসেৱাৰ প্ৰতি উৎসৰ্গাৰ সোণালী যুগ। তেওঁ কয় যে যেতিয়া নেতৃত্ব স্পষ্ট হয় তেতিয়াই সেৱা, সুৰক্ষা আৰু সুপ্ৰশাসন লাভ কৰিব পাৰি আৰু এই কথা মোদী চৰকাৰে প্ৰমাণ কৰিলে। তেওঁ লগতে কয় যে, শ্ৰীমোদীয়ে কৃষক, মহিলা, পিছপৰা শ্ৰেণী, দলিতসকলৰ উন্নয়নৰ হকে যথেষ্ট কাম কৰাৰ উপৰি সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াসেৰে এটা কৰ্মসংস্কৃতি গঢ়ি তুলিলে। ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ সাফল্যত আলোকপাত কৰি শ্ৰীশ্বাহে কয়, যে নক্সালবাদ এতিয়া অন্ত পৰাৰ দিশত আৰু জম্মু-কাশ্মীৰ আৰু উত্তৰ পূৰ্বাঞ্চলত শান্তি স্থাপন কৰা হৈছে। তেওঁ লগতে কয়, যে ভাৰতে সন্ত্ৰাসবাদী আক্ৰমনৰ প্ৰত্যুত্তৰত সন্ত্ৰাসবাদৰ মূল থলিতে গৈ নিঃশেষ কৰাৰ অভিযান চলালে। এই কাৰ্যই মোদী চৰকাৰৰ অধীনত ভাৰতৰ প্ৰতিচ্ছবি সলনি হোৱাটোকে প্ৰতিফলিত কৰে বুলি শ্ৰীশ্বাহে মন্তব্য কৰে।

ooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেল অৰ্থনৈতিক আৰু বাণিজ্য অংশীদাৰিত্ব শক্তিশালী কৰাৰ উদ্দেশ্যে আজি ছুইজাৰলেণ্ড আৰু ছুইডেনলৈ ৰাওনা হৈছে। তেওঁ দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগ বৃদ্ধি কৰাৰ বাবে ছুইজাৰলেণ্ডৰ

গোলকীয় মুখ্য কাৰ্যবাহী বিষয়া আৰু উদ্যোগ নেতাসকলৰ সৈতে আলোচনাত মিলিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চুইডেনত **ভাৰত -ছুইডিছ অৰ্থনৈতিক, ঔদ্যোগিক আৰু বৈজ্ঞানিক সহযোগিতাৰ যৌথ আয়োগ**ৰ একবিংশ সংস্কৰণত সহ অধ্যক্ষতা কৰিব। শ্ৰীগোৱেলৰ এই ভ্ৰমণে মুখ্য ইউৰোপীয় দেশসমূহৰ সৈতে কৌশলগত আৰু অৰ্থনৈতিক অংশীদাৰিত্ব সুগভীৰ কৰা তথা বাণিজ্য আৰু বিনিয়োগ সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে।

০০০০০

অসম বিধানসভাই ডিব্ৰুগড় বিমান বন্দৰৰ নাম ভাৰতৰত্ন ড° ভূপেন হাজৰিকা বিমান বন্দৰ, ডিব্ৰুগড় নামেৰে নামকৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ আগবঢ়াইছে। আজি দিছপুৰত অনুষ্ঠিত অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশনত পৰিবহণ মন্ত্ৰী যোগেন মহনে এই সন্দৰ্ভত উত্থাপন কৰা সংকল্প প্ৰস্তাৱটো সদনে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। সদনত সংকল্প প্ৰস্তাৱ উত্থাপন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য মন্ত্ৰীসভাই এই সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্তমৰ্মে এই সংকল্প প্ৰস্তাৱটো উত্থাপন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অগপৰ নেতা তথা কৃষি মন্ত্ৰী অতুল বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, ডিব্ৰুগড়ৰ বিধায়ক তথা শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনকে ধৰি শাসক-বিৰোধী উভয় পক্ষৰ সকলো বিধায়কে এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন আগবঢ়ায়। আজি অনুষ্ঠিত অধিৱেশনৰ আৰম্ভণিতে প্ৰাক্তন মন্ত্ৰী শুকুৰ আলী আহমেদ আৰু সাম্প্ৰতিক বান আৰু খহনীয়াত জীৱন হেৰুওৱা লোকসকলৰ লগতে জম্মু-কাশ্মীৰৰ পেহেলগাম আক্ৰমণত মৃত্যু হোৱা লোকসকলৰ স্মৃতিত মৌন প্ৰাৰ্থনা জনোৱা হয়।

অসম বিধানসভাৰ এই দিনযোৱা বিশেষ অধিবেশনৰ আৰম্ভণিতে বিৰোধী পক্ষই আইনী প্ৰক্ৰিয়াৰ অবিহনে সন্দেহযুক্ত নাগৰিকক বাংলাদেশলৈ ঘূৰাই পঠিওৱা আৰু গুৱাহাটীৰ সমীপৰ পলাশবাৰী অঞ্চলৰ প্ৰস্তাৱিত ছেটেলাইট টাউনশ্বিপৰ বিষয়ক লৈ প্ৰতিবাদ সাব্যস্ত কৰে। সদনৰ শূন্যকালত বিৰোধী পক্ষই ৰাজ্য চৰকাৰে ভাৰতীয় নাগৰিকক বিদেশী হিচাপে গণ্য কৰি বাংলাদেশলৈ পঠিওৱা বুলি অভিযোগ কৰে। এই বিষয়ক লৈ কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ সদস্যসকলে শ্লোগান দিবলৈ ধৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এটা প্ৰশ্নৰ উত্তৰত কয়, যে ৰাজ্যৰ পৰা অবৈধ বাংলাদেশীক ঘূৰাই পঠাবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ। অবৈধ নাগৰিকৰ বিৰুদ্ধে অভিযান অব্যাহত থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে অবৈধ বিদেশী চিনাক্ত আৰু বিতাড়ণ কৰিবলৈ জিলা আয়ুক্তক ১৯৫০ চনৰ আইন অনুসৰি ক্ষমতা প্ৰদান কৰা হৈছে বুলি প্ৰকাশ কৰে। আজিৰ এই এদিনীয়া অধিৱেশনত জলজীৱন মিছন সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০

অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰাৰ্থী কনাড পুৰকায়স্থ আৰু অসম গণ পৰিষদৰ প্ৰাৰ্থী বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই আজি অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। বিজেপিয়ে ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে প্ৰয়াত কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যিক বিজেপিৰ সহ প্ৰতিষ্ঠাপক কবিন্দ্ৰ পুৰকায়স্থৰ পুত্ৰ কনাড পুৰকায়স্থক মনোনীত কৰিছে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, অগপৰ সভাপতি অতুল বৰা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে।

উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল অহা ১৪ জুনত উকলি যাব।

০০০০০

মেঘালয়ৰ উপ মুখ্যমন্ত্ৰী প্ৰেষ্টন টিনচঙে ইন্দোৰৰ যুৱক ৰাজা ৰঘুবংশীৰ হত্যাৰ সৈতে জড়িত থকা ৪ জন লোকক গ্ৰেপ্তাৰ কৰাৰ কথা নিশ্চিত কৰিছে। ৩০ বছৰীয়া ৰাজা ৰঘুবংশীক হত্যাৰ বাবে পত্নী সোনম ৰঘুবংশীয়ে হত্যাকাৰী ভাড়া কৰাৰ কথা স্বীকাৰ কৰি আৰক্ষীৰ ওচৰত আত্মসমৰ্পন কৰাৰ কিছুসময়ৰ পাছতে মেঘালয়ৰ উপ মুখ্যমন্ত্ৰীগৰাকীয়ে এখন সংবাদমেলত কয়,

যে আৰক্ষীয়ে এতিয়াও এই ঘটনাৰ সৈতে জড়িত বাকী থকা এজন লোকৰ সন্ধান অব্যাহত ৰাখিছে। তেওঁ কয়, যে গ্ৰেপ্তাৰ কৰা আটাইকেইজনকে অধিক তদন্তৰ বাবে শ্বিলঙলৈ অনা হ'ব। মেঘালয় অপৰাধৰ কেন্দ্ৰস্থললৈ পৰিণত হৈছে বুলি সংবাদ মাধ্যমে কৰা দাবীৰ সন্দৰ্ভত টিনচঙে দুখ প্ৰকাশ কৰি কয়, যে তেওঁলোকে এনে কাৰ্যৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিচ্ছবি বিনষ্ট কৰিলে। উপ মুখ্যমন্ত্ৰীগৰাকীয়ে সন্ধানহীন দম্পত্তিহালৰ উদ্ধাৰ অভিযানত অংশ লোৱা আৰক্ষী, চহৰা অঞ্চলৰ জনসাধাৰণ, বিশেষ তদন্তকাৰী গোট, এছ ডি আৰ এফ, এন ডি আৰ এফ, মাউণ্টেইনিয়াৰিং ক্লাৱ, টেক্সি চালক, সাংবাদিক তথা অন্যান্যসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ মেঘালয় চৰকাৰে এই ঘটনাৰ তদন্ত তথা ৰাজা ৰঘুবংশীৰ হত্যাৰ কাৰণ বিচাৰি উলিয়াবলৈ প্ৰশাসনক সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰিব বুলি আশ্বাস দিয়ে। তেওঁ লগতে কয়, যে ৰাজ্যিক বিষয়াসকলৰ সৈতে গাওঁৰ কৰ্তৃপক্ষক বহিঃৰাজ্যৰ লোকসকলৰ মেঘালয়ত প্ৰৱেশ নিৰীক্ষণ আৰু তেওঁলোকৰ তথ্যপাতিসমূহ পৰীক্ষা কৰিবলৈ দায়িত্ব দিয়া হৈছে।

ইপিনে আৰক্ষী অধীক্ষক বিবেক ছিয়েমে ৰাজাক ২৩ মে'ত হত্যা কৰা হৈছিল আৰু সন্দেহযুক্ত হত্যাকাৰী কেইজন সেইদিনাই  পলাই গৈছিল বুলি সদৰি কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে,  সোনম আৰু ৰাজ কুছৱাহা হৈছে এই ঘটনাৰ মূল অভিযুক্ত। উ্‌ল্লেখযোগ্য যে ৰাজা ৰঘুবংশী আৰু সোনম যোৱা ১১ মে'ত মধ্য প্ৰদেশৰ ইন্দোৰত বিবাহপাশত আবদ্ধ হৈছিল।

০০০০০

স্বাধীনতা সংগ্ৰামৰ মহান নায়ক ভগৱান বীৰছা মুণ্ডাক তেওঁৰ শ্বহীদ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বীৰগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোডীয়ে কয়,যে জনজাতীয় লোকৰ কল্যাণ আৰু তেওঁলোকৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ভগৱান বীৰছা মুণ্ডাই নিজৰ জীৱন উৎসৰ্গা কৰিছিল। এই মহান বীৰগৰাকীৰ ত্যাগ আৰু ভক্তিয়ে দেশৰ জনসাধাৰণক অনুপ্ৰাণিত কৰিব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

০০০০

ওড়িশাত চলিত মাহৰ ২৭ তাৰিখৰপৰা পুৰীত হ'বলগীয়া ভগৱান জগন্নাথৰ বাৰ্ষিক ৰথ যাত্ৰাৰ বাবে সকলো প্ৰস্তুতি দ্ৰুতগতিত চলি আছে। আজি পুৱা পুৰীত স্নান যাত্ৰা আৰু ৰথ যাত্ৰা বিষয়ক এখন উচ্চ পৰ্যায়ৰ সমন্বয় সমিতিৰ বৈঠকত আইন,স্বাস্থ্য আৰু অন্যান্য মন্ত্ৰীসকলে অংশগ্ৰহণ কৰে । পৰহিলৈ অনুষ্ঠিত হ'বলগীয়া দেৱতাৰ স্নান যাত্ৰাৰ সকলো প্ৰস্তুতিৰ শ্ৰী জগন্নাথ মন্দিৰৰ প্ৰশাসনে নিৰীক্ষণ কৰি আছে । কতৃপক্ষই কভিড নীতি নিৰ্দেশনাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কভিডৰ লক্ষণ থকা লোকসলক ৰথ যাত্ৰাৰ সময়ত পুৰীলৈ নাযাবলৈ আহ্বান জনাইছে । উল্লেখযোগ্য,যে পুৰীৰ ৰথ যাত্ৰাৰ সময়ত ভক্তসকলৰ মসৃণ যাত্ৰাৰ বাবে ৩৫০খন বিশেষ ৰে'ল চলাচল কৰিব ।

০০০০০

দেলহী ইণ্টাৰনেচনেল অপেন ডবাত গ্ৰেণ্ডমাষ্টাৰ নাৰায়ণন এছ্ এলে, ভিয়েটনামৰ নগু ৱেন দাক হুৱাক চতুৰ্থ ৰাউণ্ডত হৰুৱাই   বিজয় সাব্যস্ত কৰে। গ্ৰেণ্ডমাষ্টাৰ দিপ্তায়ন ঘোষ আৰু আন দুগৰাকী   ভাৰতীয় খেলুৱৈয়েও জয়লাভ কৰে। আন্তৰাষ্ট্ৰীয় মাষ্টাৰ্ছ দীনেশ শৰ্মা আৰু হৰ্ষ সুৰেশেও দুখনকৈ গুৰুত্বপূৰ্ণ খেলত জয়লাভ কৰে।

০০০০০

সমাপ্ত